# উপসংহাৰ

আমাৰ গৱেষণা পত্ৰ ‘শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান’ শীৰ্ষক বিষয়টি অধ্যয়নৰ সুবিধাৰ্থে অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা আৰু শীলভদ্ৰৰ উপন্যাস, শীলভদ্ৰৰ উপন্যাসৰ পটভূমি, শীলভদ্ৰৰ উপন্যাসত গ্ৰাম্য জীৱন আৰু পশ্চিম অসমৰ লোক-সাংস্কৃতিক উপাদান, শীলভদ্ৰৰ উপন্যাসৰ ভাষিক বৈচিত্ৰ্য আদি প্ৰধান চাৰিটা অধ্যায়ত বিভক্ত কৰা হৈছে। উল্লিখিত অধ্যায়সমূহ যথাক্ৰমে আঞ্চলিকতাৰ দৃষ্টিভংগীৰে বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা দাঙি ধৰা হৈছে।

‘অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা আৰু শীলভদ্ৰৰ উপন্যাস’ শীৰ্ষক প্ৰথম অধ্যায়টিত উপন্যাস আৰু উপন্যাসৰ সংজ্ঞা, উপন্যাসৰ বিশেষত্ব, আঞ্চলিক উপন্যাস, আঞ্চলিক উপন্যাসৰ সংজ্ঞা আৰু বৈশিষ্ট্য, আঞ্চলিক উপন্যাসৰ উপাদান, আঞ্চলিক উপন্যাসৰ শৈলী, অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা, অসমীয়া আঞ্চলিক উপন্যাসৰ শ্ৰেণী বিভাজন আৰু শীলভদ্ৰৰ উপন্যাস সমগ্ৰ আদি উপ-বিভাগ সমূহ অধ্যয়নৰ অন্তত দেখা গৈছে যে, অসমীয়া উপন্যাস সাহিত্য সম্পৰ্কে বহল আৰু বিস্তাৰিত আলোচনা হৈছে যদিও অসমীয়া সাহিত্যত ‘উপন্যাস’ সম্পৰ্কে চমু আভাস তুলি ধৰাৰ প্ৰয়াস কৰা হৈছে। যিহেতু আমাৰ গৱেষণাৰ বিষয় আঞ্চলিক উপন্যাস, সেইহেতুকে আঞ্চলিক উপন্যাসৰ সংজ্ঞা, বৈশিষ্ট্য, শ্ৰেণীবিভাজন আৰু অসমীয়া উপন্যাস সাহিত্যত আঞ্চলিক উপন্যাসৰ ইতিহাস আৰু ধাৰাৰ সংক্ষিপ্ত আলোচনা তুলি ধৰা হৈছে। দেখা গৈছে, আঞ্চলিক উপন্যাস সামাজিক উপন্যাসৰ অন্তৰ্গত। সমাজৰ বাস্তৱ পটভূমিৰ ওপৰত নজৰ ৰাখি ভৌগোলিক অৱস্থান আৰু পৰিচিত পৰিৱেশৰ মাজেৰে ঔপন্যাসিকে জীৱনৰ ব্যাপ্তি আৰু গভীৰতা বিচাৰি পায়, য'ত কোনো এটি বিশেষ অঞ্চল বা তাৰ প্ৰাকৃতিক, সামাজিক, মানৱিক বাস্তৱতা ফুটি উঠে। সেই অৰ্থে হয়তো প্ৰায়বোৰ আঞ্চলিক উপন্যাসক আঞ্চলিক উপন্যাসৰ শাৰীত ধৰিব পাৰি। কিন্তু সমাজ বা কোনো এটি অঞ্চলৰ প্ৰতিচ্ছবি প্ৰকাশ পোৱা উপন্যাস আঞ্চলিক উপন্যাস হ'ব নোৱাৰে। আঞ্চলিক উপন্যাস হ'বলৈ হ'লে কোনো এটি অঞ্চলৰ আদিম জনগোষ্ঠীয় অঞ্চল, নৈপৰীয়া মানুহৰ জীৱনৰ বাস্তৱ চিত্ৰ আৰু ভৌগোলিক

আৰেষ্টনীৰ মাজত আৱদ্ধ ভাষা, কৃষ্টি আৰু জীৱনৰ অহৰহ সংগ্ৰাম যুক্ত মানৱ জীৱনৰ কাহিনী সম্বলিত বাস্তৱ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা উপন্যাসক সাধাৰণ অৰ্থত আঞ্চলিক উপন্যাস বুলিব পাৰি। অৰ্থাৎ কোনো ঔপন্যাসিক যেতিয়া কোনো বিশেষ অঞ্চলৰ মানুহৰ জীৱনযাত্ৰা, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাষা-কৃষ্টি, প্ৰাকৃতিক পৰিৱেশ, অন্ধবিশ্বাস, কু-সংস্কাৰ, সংস্কাৰৰ জৰিয়তে উপন্যাসত চিত্ৰিত চৰিত্ৰসমূহ সেই বিশেষ অঞ্চলৰ বাস্তৱ পৰিৱেশৰ শক্তি আৰু সত্তাৰ প্ৰতীক হৈ উঠে, সেই অঞ্চলৰ মানুহৰ লগত আত্মিক সম্পৰ্ক তথা ঘনিষ্ঠতা, সুখ-দুখৰ মৰ্মবেদনা স্বতন্ত্ৰ ৰূপত চৰিত্ৰত প্ৰতিফলন ঘটে, তদুপৰি অঞ্চলগত মানুহৰ দৈহিক গঠন, কথা কোৱাৰ ভংগী, অবিকল উচ্চাৰণ, লোক-কৃষ্টিৰ অবিকল বৰ্ণনাৰ মাজেদি শিল্পসন্মত আস্বাদান আৰু অভিজ্ঞতাৰ তুলিকাৰে স্থানীয় ৰং (Local Coulor) প্ৰোজ্জ্বলিত হৈ উঠে, তেনেধৰণৰ উপন্যাসক আঞ্চলিক উপন্যাস হিচাপে চিহ্নিত কৰিব পৰা যায়। এককথাত কোনো এক বিশেষ অঞ্চল তথা আঞ্চলিক জীৱন দৰ্শনৰ ইতিবৃত্ত প্ৰকাশ পায় আঞ্চলিক উপন্যাস অভিধাটিত আৰু অঞ্চলটিয়ে হৈ পৰে ইয়াৰ মুখ্য চৰিত্ৰ।

অসমীয়া সাহিত্যত আঞ্চলিকতাৰ চেতনাৰ উন্মেষ ঘটে ঊনবিংশ শতিকাৰ শেষভাগত। অসমীয়া উপন্যাস সাহিত্যত পোন প্ৰথম আঞ্চলিকতাৰ প্ৰভাৱ পৰে ‘মিৰিজীয়ৰী’ উপন্যাসত। পৰৱৰ্তী কালত নৰকান্ত বৰুৱাৰ ‘কপিলীপৰীয়া সাধু’, লক্ষ্মীনন্দন বৰাৰ ‘গঙা চিলনীৰ পাখি’ উপন্যাস আদিত আঞ্চলিকতাৰ প্ৰভাৱ পৰে। পাছলৈ ভালেকেইজন ঔপন্যাসিকৰ উপন্যাসত আঞ্চলিকতাৰ প্ৰভাৱ পৰে যদিও শীলভদ্ৰৰ ‘তৰংগিনী’ উপন্যাসখন বাদ দি প্ৰায়কেইখন উপন্যাসেই সাৰ্থক আঞ্চলিক উপন্যাস।

দ্বিতীয় অধ্যায় ‘শীলভদ্ৰৰ উপন্যাসৰ পটভূমি’ শীৰ্ষক অধ্যায়ত উপন্যাসৰ পটভূমি নিৰ্ণয়ৰ অন্তৰালত নিহিত হৈ থকা নিৰ্বাচিত পশ্চিম অসমৰ গৌৰীপুৰকেন্দ্ৰিক অঞ্চলৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বাস্তৱ বিৱৰণৰ সহায়ত পটভূমি নিৰ্মাণ কৰিছে। গৌৰীপুৰকেন্দ্ৰিক অঞ্চলক লৈ বৃটিছৰ শাসননীতি, জমিদাৰী শাসননীতি আৰু পতন, স্বৰাজ লাভ, গৌৰীপুৰকেন্দ্ৰিক অঞ্চল অসম-বংগত চামিলকৰণৰ কূট-কৌশল, জনগাঁথনিৰ পৰিৱৰ্তন, অৰ্থনীতিৰ বিৱৰ্তন, পশ্চিমীয়া ভাষা-সংস্কৃতিৰ আগ্ৰাসন, থলুৱা মানুহৰ শোচনীয় অৱস্থা আদিৰ প্ৰত্যক্ষদৰ্শী শীলভদ্ৰই গৌৰীপুৰৰ উত্থান-পতন নীৰৱে উপলব্ধি কৰিছিল। যাৰ পৰিণতিত প্ৰতিখন উপন্যাসত অতীত

স্মৃতিৰ গোন্ধ স্পষ্ট। অতীত স্মৃতি ৰোমন্থনেই পটভূমি নিৰ্মাণৰ এটি মূল কাৰক হিচাপে চিনাক্ত কৰিব পাৰি।

'তৰংগিনী' উপন্যাসখনৰ বাহিৰে শীলভদ্ৰৰ উপন্যাসসমূহৰ পটভূমি গৌৰীপুৰকেন্দ্ৰিক অঞ্চল। গৌৰীপুৰ যাৰ আন এক নাম মধুপুৰ। মধুপুৰেই গৌৰীপুৰ আৰু ই এক সৰু অঞ্চল। ই অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত অসম-বংগ আৰু বাংলাদেশ সীমান্ত সংলগ্ন। গৌৰীপুৰ তথা মধুপুৰ অঞ্চলেই শীলভদ্ৰৰ উপন্যাসৰ নিৰ্বাচিত অঞ্চল। নিৰ্বাচিত অঞ্চলেই শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ মূল উপজীৱ্য। এই অঞ্চলেই আছিল জমিদাৰী শাসন ব্যৱস্থাৰ কেন্দ্ৰস্থান। স্বৰাজ লাভে গৌৰীপুৰৰ জমিদাৰী শাসন ব্যৱস্থা ক্ৰমন্বায়ে বিলোপ ঘটায় আৰু সমাজ জীৱনলৈ এক পৰিৱৰ্তন আনে, যি পৰিৱৰ্তনে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সংকট, জমিদাৰিত্বৰ অধঃপতন, নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ উত্থান আৰু পাশ্চাত্য অনুকৰণ, থলুৱা মানুহৰ কৰ্ম অনীহা আৰু নিবনুৱা সমস্যা, খাদ্য সংকট আদি এশ-এবুৰি সমস্যাই পশ্চিম অসমৰ সমাজ জীৱনক অস্থিৰ কৰি তুলিছিল। এনে অস্থিৰতাই ঐতিহ্য আৰু মূল্যবোধত আঘাত হানে। যাৰ পৰিণতিত সমাজত পৰিৱৰ্তনৰ সূচনা হয়। এনে এক জটিল সন্ধিক্ষণত শীলভদ্ৰই কথাসাহিত্যৰ জগতত প্ৰৱেশ কৰি বাস্তৱ চেতনাবোধৰ গভীৰতা আৰু শোষিত, লাঞ্চিত, বঞ্চিত জনসাধাৰণৰ প্ৰতি সহানুভূতিশীলতা, প্ৰাচীন ঐতিহ্য আৰু পুৰণি মূল্যবোধৰ ছবি মূৰ্ত ৰূপত তুলি ধৰিছে।

শীলভদ্ৰই উপন্যাসৰ মাজেদি নিৰ্বাচিত গৌৰীপুৰকেন্দ্ৰিক অঞ্চলৰ আঞ্চলিক ৰূপ তথা স্থানীয় ৰং (Local colour) প্ৰকাশ কৰাটো শীলভদ্ৰৰ মূল উদ্দেশ্য। গৌৰীপুৰকেন্দ্ৰিক অবিভক্ত গোৱালপাৰা জিলাৰ ঐতিহ্য আৰু ইতিহাস, কৃষ্টি, লোক-পৰম্পৰা, নৈ-পৰীয়া মানুহৰ জীৱন চিত্ৰ, মাত-কথা আৰু সামাজিক পৰিৱৰ্তন আৰু পৰিৱৰ্ধন শীলভদ্ৰৰ উপন্যাসত সততে দেখা যায়। বিশেষকৈ গৌৰীপুৰ অঞ্চলৰ খিলঞ্জীয়া অধিবাসী কোচ-ৰাজবংশী, ৰাভা আৰু থলুৱা মুছলমানৰ লগতে কলিতা, বামুন, নাথ-যোগী, বঙালি, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠীৰ সাতামপুৰুষীয়া সমন্বয়ৰ বহিঃপ্ৰকাশ শীলভদ্ৰৰ উপন্যাসত স্পষ্ট। গতিকে শীলভদ্ৰৰ উপন্যাস সমগ্ৰ অঞ্চলভিত্তিত ৰচনাৰ পটভূমি, বিষয়বস্তু আৰু বৈশিষ্ট্যগত দিশৰ ওপৰত ভিত্তি কৰি আঞ্চলিক উপন্যাসৰ শাৰীত পেলাব পাৰি। সেইহেতুকে শীলভদ্ৰৰ উপন্যাস সমগ্ৰ আঞ্চলিকতাৰ দৃষ্টিৰে আমাৰ গৱেষণা গ্ৰন্থত আলোচনাৰ প্ৰয়াস কৰা হৈছে। গতিকে স্থানীয় চিত্ৰ

প্ৰকাশৰ মাজেদি গৌৰীপুৰকেন্দ্ৰিক জীৱন চৰ্চা আৰু ভাষাৰ স্থানীয় ৰূপ তথা লোকভাষাৰ (Flok speech) ব্যৱহাৰে নিৰ্বাচিত অঞ্চলৰ নিভৃতম কোণত সোমাই থকা বাস্তৱ চিত্ৰ তুলি ধৰাত সহায় কৰিছে।

এই অধ্যায় আলোচনাৰ অন্তত দেখা গৈছে যে, গৌৰীপুৰ তথা মধুপুৰ অঞ্চলক নিলগাই পটভূমি বিচাৰ্য লৈ আনিব পৰা নাযায়। গতিকে গৌৰীপুৰকেন্দ্ৰিক অঞ্চলক পটভূমি হিচাপে নিৰ্বাচন কৰি নিৰ্বাচিত অঞ্চলৰ সামগ্ৰীক জীৱন চৰ্চা শীলভদ্ৰৰ উপন্যাসৰ কাহিনীত স্পষ্ট হৈ উঠিছে আৰু আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যগত দিশ উপন্যাসৰ পটভূমিৰ মাজেদি বৈচিত্ৰ্যপূৰ্ণ ৰূপত অভিব্যক্ত হৈছে।

তৃতীয় অধ্যায়ত শীলভদ্ৰৰ উপন্যাসসমূহত প্ৰস্ফুটিত হৈ উঠা গৌৰীপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱন আৰু পশ্চিম অসমৰ লোক-সাংস্কৃতিক সমল তথা উপাদান সমূহৰ এটি মূল্যায়ন কৰিবলৈ যত্ন কৰা হৈছে। অবিভক্ত গোৱালপাৰা জিলাৰ সমাজ জীৱনে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰিছে যদিও ই অসমীয়া ভাষা-সংস্কৃতিৰ পৰা পৃথক। এককথাত গোৱালপাৰাৰ অধিবাসী সকলে নিজস্ব জাতি-গোষ্ঠী সত্তা জীয়াই ৰাখি অসমীয়া সমাজত সুকীয়া বৈশিষ্ট্যগত পৰিচয় বহন কৰি আহিছে। অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত এক বিশেষ অঞ্চল 'গৌৰীপুৰ'। জমিদাৰ শাসিত সৰু গ্ৰাম্য চহৰ, গৌৰীপুৰৰ নিজা সত্তা আছে, য'ত বিচিত্ৰ জাতি-জনগোষ্ঠীৰ ঐক্য, সমন্বয় আৰু ভাষিক বৈচিত্ৰ্যৰ ফালৰ পৰা গৌৰীপুৰ স্বতন্ত্ৰ। ইংৰাজ শাসন, জমিদাৰ শাসন আৰু স্বৰাজোত্তৰ নানান ঘটনা-পৰিঘটনাৰ মাজেদি আহি গৌৰীপুৰ অঞ্চলৰ প্ৰাচীন গ্ৰাম্য ব্যৱস্থাৰ ভিতৰত গাঁওবুঢ়া বা মুৰব্বী প্ৰথা, বাৰদল বিচাৰ পদ্ধতি, মুষ্ঠি প্ৰথা আদিৰ প্ৰচলন আছিল। ইয়ে মানৱ সংগঠিত সমাজৰ ঐতিহ্য পৰম্পৰা আৰু বৰ্তমান সমাজ ব্যৱস্থা নিৰ্মাণৰ ক্ষেত্ৰত গ্ৰাম্য ব্যৱস্থাৰ ভূমিকা সবল ৰূপত গঢ়ি তোলাত সহায় কৰিছে। শীলভদ্ৰৰ উপন্যাসসমূহত প্ৰাচীন গ্ৰাম্য সমাজ ব্যৱস্থাৰ বিচাৰ পদ্ধতি, আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি, সাজ-পাৰ, খাদ্যাভাস আদিকে ধৰি ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱেশ তথা অৱস্থাৰ এক অৱলোকন আগবঢ়োৱাৰ প্ৰযত্ন কৰা হৈছে।

দ্বিতীয়তে, এই অধ্যায়টিত পশ্চিম অসমৰ লোক-সাংস্কৃতিক উপাদান সম্পৰ্কে আলোচনা কৰাৰ সুবিধাৰ্থে পশ্চিম অসমৰ ভৌগোলিক পৰিসীমা আৰু অৱস্থিতিৰ এক চমু

পৰিচয়, শীলভদ্ৰই উপন্যাসসমূহত ব্যৱহৃত লোক-সাংস্কৃতিক আৰু লোকভাষাৰ উপাদান সম্পৰ্কে আলোচনা কৰা হৈছে। শীলভদ্ৰই উপন্যাসত প্ৰয়োগ কৰা লোক-সাংস্কৃতিক উপাদানসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখনীয় উপাদানসমূহ হ'ল— লোক-উৎসৱ, লোক-সংগীত, লোকশিল্প, লোকাচাৰ, লোকখাদ্য, লোক-বিশ্বাস আৰু লোকভাষাৰ উপাদান প্ৰবাদ-প্ৰবচন, সাঁথৰ, গালি-শাপনি, সাথুকথা, মন্ত্ৰ আদিৰ আলোচনা তুলি ধৰা হৈছে। অধ্যায়টি আলোচনাৰ অন্তত দেখা গৈছে যে, গৌৰীপুৰ অঞ্চলৰ ভাষা-সংস্কৃতিৰ ফালৰ পৰা অভিন্ন। অবিভক্ত গোৱালপাৰা জিলাই অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰিছে সচাঁ, কিন্তু এই অঞ্চলৰ ভাষা-সংস্কৃতিয়ে সুকীয়া বিশেষত্ব আৰু পৰিচয় বহন কৰি আহিছে। যাৰ অন্তৰালত লুকাই আছে এই অঞ্চলৰ থলুৱা মানুহৰ জীৱন শৈলীৰ এক আত্মিক সম্পৰ্ক, যি সম্পৰ্কৰ মাজত এই অঞ্চলৰ ইতিহাস, ঐতিহ্য আৰু পৰম্পৰা বিজড়িত হৈ আছে। সময়ে সময়ে সামাজিক আৰু ৰাজনৈতিক পট পৰিৱৰ্তনৰ লগে লগে গৌৰীপুৰ তথা মধুপুৰৰ দৃশ্যপট সলনি হৈছে, প্ৰৱজিত আৰু কৰ্মৰ তাগিদাত মধুপুৰলৈ অহা বিভিন্ন জাতি-জনগোষ্ঠীৰ আগমনে জনগাঁথনিৰ নস্কা সলনি কৰিছে, ৰাজনীতি, অৰ্থনৈতিক ব্যৱসায়-বাণিজ্য দখল কৰিছে যদিও ভাষা-সংস্কৃতিক গ্ৰাস কৰিব পৰা নাই। গৌৰীপুৰলৈ আগমন ঘটা বিভিন্ন জাতি-জনগোষ্ঠীয় মানুহে অবিভক্ত গোৱালপাৰা জিলাৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰিছে। যাৰ পৰিণতিত এতিয়াও অবিভক্ত গোৱালপাৰা জিলাৰ ভাষা-সংস্কৃতি অপৰিৱৰ্তিত ৰূপত বৰ্তি আছে। গতিকে দেখা গৈছে যে, উদাৰতা দৃষ্টিভংগীৰে শীলভদ্ৰই উপন্যাসত লোক-সাংস্কৃতিক সমল সন্নিৱিষ্ট কৰিছে, তাত কোনো সন্দেহ নাই। যিমান দূৰ সম্ভৱ শীলভদ্ৰই উপন্যাস সাহিত্যৰ বৈশিষ্ট্য অক্ষুণ ৰাখি পশ্চিম অসমৰ লোক-সংস্কৃতিৰ পৰিচয় তুলি ধৰাত কৃপণালি কৰা নাই, যিয়ে অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰতি থকা ভ্ৰান্ত ধাৰণা দূৰ কৰাত কিছু হ'লেও সহায় কৰিছে। গতিকে দেখা যায় যে, পশ্চিম অসমকেন্দ্ৰিক সাংস্কৃতিক ঐতিহ্যৰ উপস্থাপন কৰাটো শীলভদ্ৰৰ প্ৰধান বিশেষত্ব, যিয়ে বিভিন্ন জাতি-জনগোষ্ঠী, দেশ-বিদেশৰ লগত সাংস্কৃতিক ভাবৰ আদান-প্ৰদানৰ সুযোগ আৰু সমন্বয় গঢ়ি তুলিছে।

চতুৰ্থ অধ্যায় 'শীলভদ্ৰৰ উপন্যাসত লোকভাষাৰ প্ৰয়োগ আৰু ভাষিক বৈচিত্ৰ্য' শীৰ্ষক আলোচনাত প্ৰধানতঃ লোকভাষাৰ স্বৰূপ, লোকভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত বৈশিষ্ট্য,

লোকভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত লোকনাম, লোকগীত, প্ৰবাদ-প্ৰবচন,  জতুৰা-ঠাঁচ, ফকৰা-যোজনা, স্থানবাচক শব্দ আদি শীলভদ্ৰৰ উপন্যাসত উল্লিখিত লোকভাষাৰ প্ৰয়োগ সম্পৰ্কে বিস্তাৰিত আলোচনা তুলি ধৰা হৈছে। শীলভদ্ৰৰ উপন্যাসত কেৱল গৌৰীপুৰকেন্দ্ৰিক লোকভাষাৰ প্ৰয়োগ কৰিছে, তেনে নহয়, বৰং লোকভাষা প্ৰয়োগৰ ওপৰিও ইংৰাজী, সংস্কৃত, বাংলা, চাহ-বাগনীয়া, ভাটিয়া, হিন্দী আদি ভাষাৰ প্ৰয়োগে শীলভদ্ৰৰ উপন্যাসৰ ভাষিক বৈচিত্ৰ্যই প্ৰতিপন্ন কৰিছে।

আলোচনাৰ অন্তত দেখা যায় যে, শীলভদ্ৰৰ উপন্যাসৰ ভাষা মান্য অসমীয়া। কিন্তু উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ বৰ্ণনাৰ মাজে মাজে গৌৰীপুৰকেন্দ্ৰিক লোকভাষাৰ প্ৰয়োগ যথেষ্ট। যি লোকভাষাৰ শব্দ আৰু বাক্যৰ অৰ্থব্যঞ্জক প্ৰয়োগেৰে ব্যক্তি আৰু সমাজৰ প্ৰকৃত চিত্ৰ অংকন কৰিছে। ভাব, ভাষা আৰু চৰিত্ৰ ৰূপায়ণৰ ক্ষেত্ৰত লেখক প্ৰত্যন্ত অঞ্চলৰ লোকভাষাৰ প্ৰয়োগ বিশেষকৈ গ্ৰাম্য জীৱনৰ সহজ-সৰল আৰু অবিকল কথনভংগীয়ে শীলভদ্ৰৰ উপন্যাসক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। বিশেষকৈ গৌৰপুৰকেন্দ্ৰিক লোক সমাজৰ চৰিত্ৰৰ মূখত স্বকীয় শৈলীৰে লোকাভাষাৰ উপস্থাপন আৰু শব্দৰ উচ্চাৰণভংগীৰ মাজত লোকভাষাৰ বৈশিষ্ট্য সোমাই আছে। প্ৰয়োজন সাপেক্ষে সেই অঞ্চলত প্ৰচলিত বিভিন্ন ভাষাৰ সংলাপ ব্যৱহাৰ কৰিছে, যিয়ে শীলভদ্ৰৰ উপন্যাসসমূহ সুৰুচি সম্পন্ন কৰি তুলিছে আৰু গৌৰীপুৰকেন্দ্ৰিক লোকভাষাৰ প্ৰয়োগে পটভূমিক নিৰ্দিষ্ট কৰি চিনাকি দিছে।

উল্লিখিত অধ্যায়সমূহ আলোচনাৰ অন্তত এনে সিদ্ধান্তলৈ আহিব পাৰি যে, শীলভদ্ৰৰ উপন্যাসৰ মূল ভাষা মান্য অসমীয়া, পটভূমি পশ্চিম অসমৰ গৌৰীপুৰকেন্দ্ৰিক অঞ্চল আৰু গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশ কৰাৰ মাজেৰে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ভাষা-সংস্কৃতি উপস্থাপন কৰা আৰু এই অঞ্চলৰ জীৱন চৰ্চা জনমানসৰ মাজত তুলি ধৰাই আছিল মূল উদ্দেশ্য। ফলস্বৰূপে, 'শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা কৰ্মৰ বিস্তাৰিত বিচাৰ-বিশ্লেষণ কৰি দেখা গৈছে যে তাৰ প্ৰতিখন উপন্যাসৰ পটভূমি, বিষয়বস্তু, চৰিত্ৰ, সংলাপ, ভাষা আদিত আঞ্চলিকতাৰ প্ৰতিফলন ঘটিছে। আঞ্চলিকতাৰ মেজাজ আৰু কথনভংগীৰে আধুনিক অসমীয়া কথাসাহিত্যত সাৱলীল বৰ্ণনাৰ মাজেৰে এক নতুন ধাৰা সংযোজন কৰিছে। ইংৰাজী সাহিত্যৰ থমাছ হাৰ্ডি, বাংলা সাহিত্যৰ

তাৰাশংকৰ বন্দোপাধ্যায়, বিভূতিভূষণ বন্দোপাধ্যায়, মাণিক বন্দোপাধ্যায়, অদ্বৈত্যমল্ল বৰ্মণ আদিৰ আঞ্চলিকতাৰ ভেটিত যিবোৰ উপন্যাস সমৃদ্ধ, তেনে উপন্যাসৰ ধাৰা বা প্ৰভাৱ শীলভদ্ৰৰ উপন্যাসত সততে প্ৰতিফলিত হয়। কাৰণ শীলভদ্ৰৰ উপন্যাসসমূহৰ মূল পটভূমি পশ্চিম অসমৰ গৌৰীপুৰকেন্দ্ৰিক অঞ্চল হোৱা হেতুকে পশ্চিম অসমৰ গৌৰীপুৰ তথা মধুপুৰৰ অতীত বৃত্তান্ত, জীৱন চৰ্চা, সামাজিক গাঁথনি আদিৰ চিত্ৰ মূৰ্ত হৈ উঠিছে। এনে অধ্যয়নৰ পাছত  নিম্নলিখিত সিদ্ধান্ত সমূহত উপনীত হ'ব পাৰি।

ক) শীলভদ্ৰৰ এটা পৰিচয় সত্তা হ'ল পশ্চিম অসমৰ আঞ্চলিক জীৱন চৰ্চা।

খ) আঞ্চলিক জীৱন চৰ্চাৰ মাজেদি পশ্চিম অসমৰ গৌৰীপুৰকেন্দ্ৰিক অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃতাত্ত্বিক, সামাজিক, সাংস্কৃতিক জাতিগত আত্ম পৰিচয়ে বিভিন্ন দিশ পাঠক বৰ্গৰ মাজত তুলি ধৰিছে।

গ)  শীলভদ্ৰ গৌৰীপুৰ অঞ্চলৰ এজন প্ৰতিনিধি। তেওঁ আছিল এগৰাকী সুক্ষ্ম পৰ্যবেক্ষণকাৰী কথাশিল্পী। তেওঁৰ প্ৰতিটো দৃষ্টিভংগী সামাজিক তথা লোকায়ত জীৱন চৰ্চাৰ অন্তিম দিশটোলৈকে প্ৰসাৰিত আছিল। জমিদাৰী শাসন ব্যৱস্থাৰ অন্ততঃ আৰু স্বৰাজ লাভৰ পাছত সমাজত যি সাংস্কৃতিক আৰু ৰাজনৈতিক দিশৰ পৰিৱৰ্তন ঘটিছিল, সেই সকলবোৰ দিশ শীলভদ্ৰই তেওঁৰ উপন্যাসৰাজিত তুলি ধৰিবলৈ প্ৰয়াস কৰিছিল। যাৰ ফলত মধুপুৰ, আগমনীৰ ঘাট, আহঁতগুৰি, অবিচ্ছিন্ন, প্ৰাচীৰ উপন্যাসত সামাজিক জীৱন চৰ্চাৰ উপৰিও লোকায়ত জীৱনৰ আনন্দ-বেদনা তথা কৰ্ম জীৱনৰ প্ৰতিটো দিশ মূৰ্ত কৰি তুলিছে। যাৰ ফলত প্ৰতিখন উপন্যাসৰে পটভূমি হিচাপে চিহ্নিত হৈছে পশ্চিম অসমৰ পৰিৱৰ্তনৰ সাক্ষী গৌৰীপুৰ অঞ্চল। ইয়াৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিৱৰ্তন আৰু গঠন শৈলীয়ে শীলভদ্ৰক আকৰ্ষিত তথা মৰ্মাহত কৰিছিল। সেয়ে হয়তো পুৰণি আৰু আধুনিক সংঘাতৰ দৃশ্যসমূহ বাস্তৱ তথা মনোগ্ৰাহীভাৱে উপস্থাপন কৰিবলৈ সক্ষম হৈছিল।

ঘ) আঞ্চলিক উপন্যাসৰ মাজত এটা সাংস্কৃতিক অধ্যয়নৰ এক বৃহৎ পৰিসৰ আছে। কিয়নো সংস্কৃতি পৰিৱৰ্তনশীল। সংস্কৃতিৰ জৰিয়তে মানুহ জীৱন অতিবাহিত কৰে বা জীয়াই থাকে। সেইকাৰণে যদি সংস্কৃতিৰ সংকটৰ সৃষ্টি হয়, তেনেহ'লে সমাজ জীৱনত বিভিন্ন ক্ষেত্ৰত তাৰ প্ৰভাৱ পৰে। সাৰ্থক আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰত যি ধৰণৰ সামাজিক, সাংস্কৃতিক

পৰিৱৰ্তনৰ এক ৰূপৰেখা নিৰ্মিত হয়, ঠিক তেনেদৰে শীলভদ্ৰৰ উপন্যাসসমূহো নিৰ্মিত। সংস্কৃতি অকল সাংস্কৃতিক বৈচিত্ৰ্যয় নহয়, সংস্কৃতি ৰূপান্তৰ এটি গুৰুত্বপূৰ্ণ বিষয়। সেয়ে শীলভদ্ৰৰ উপন্যাসত গৌৰীপুৰ তথা মধুপুৰকেন্দ্ৰিক উপন্যাসসমূহৰ জৰিয়তে পশ্চিম অসমৰ জীৱন চৰ্চা আৰু ধৰ্মীয় পৰম্পৰা, সামাজিক, সাংস্কৃতিক আৰু ভৌগোলিক অৱস্থান অত্যন্ত দক্ষতাৰে প্ৰতিফলিত হৈছে। আচলতে শীলভদ্ৰ এজন অন্তৰংগ শিল্পী। সেয়ে তেওঁ শিল্পকৰ্মত নৃতাত্ত্বিক, সামাজিক, সাংস্কৃতিক আৰু জনগোষ্ঠীয় জীৱন চৰ্চাৰ এটা বহল পৰিসৰ মূৰ্ত হৈ উঠিছে। অসমীয়া কথাসাহিত্যৰ ইতিহাসত শীলভদ্ৰ নিঃসন্দেহে এজন আধুনিক কথাশিল্পী। সেয়ে তেওঁৰ চিন্তা, চেতনা আৰু অধ্যয়নৰ ক্ষেত্ৰত কেতিয়াও লোকজীৱন বিচ্ছিন্ন হোৱা নাই। সেয়েহে আঞ্চলিক উপন্যাস সমগ্ৰতে নহয়, আচলতে শীলভদ্ৰৰ আন আন লিখনিৰ মাজত এটা জীৱন দৰ্শন ওলাই আহিছে। এইটো হ'ল পৰম্পৰা আৰু আধুনিকতাৰ সংকট।